# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HE–5046

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) প্ৰথম অন্তৰংগতাৰ পিছৰ পৰাই 'আৱাজ' গল্পত উল্লিখিত চৰিত্ৰ (মুখ্য) দুটিয়ে ক'ত বহিছিল ?

(খ) আমাৰ কাণ আটাইতকৈ বেছি সচেতন কিমান চাইক্লৰ শব্দৰ প্ৰতি ?

(গ) "অহা আৰু যোৱাৰ কোনো ভেদ নাই মা, মৃত্যুৰ আন এটা নাম হ'ল জন্মদিন!" কোনে কৈছিল ?

(ঘ) প্ৰেক্ষাগৃহৰ পৰা কোন গৈ বেলুন কিছুমান আনি দৰ্শকৰ মাজত বিলাইছিল ?

(ঙ) জৰ্জ অৰবেলৰ '১৯৮৪' উপন্যাসখন ৰাজনৈতিক ব্যঙ্গ উপন্যাস—ই অইন কি উপন্যাস হিচাপে সমাদৃত?

(চ) বিজ্ঞানৰ সচিত্ৰ বা-বাতৰিৰে পৰিপূৰ্ণ 'আৱাহন'ৰ নিয়মীয়া শিতানটি কি আছিল?

(ছ) অসমীয়া ভাষাৰ প্ৰথমখন কল্পবিজ্ঞান মঞ্চ নাটক কি?

(জ) 'বিৰচতীয়া' শব্দটো ক'ৰ পৰা ওলাইছে?

(ঝ) দুৰ্বলতাৰ এটা মুহূৰ্তত ড. চন্দন চৌধুৰীৰ কাৰ কথা মনত পৰিছিল?

(ঞ) চম্পক বুকষ্টলৰ মালিকৰ নাম কি?

২। অতি চমু উত্তৰ দিয়া : ২×৫=১০

(ক) লাইন এক্সট্ৰাপ'লেটৰ এটাই কি কৰে?

(খ) সুনীল গঙ্গোপাধ্যায়ৰ দুটা সাৰ্থক কল্পবিজ্ঞান কাহিনীৰ নাম লিখা।

(গ) 'আৱাজ'ৰ মুখ্য চৰিত্ৰটোৰে তেওঁৰ ছবি নিৰ্মাতাজনে ফুটবল খেলখনৰ অৱতাৰণা কিয় কৰিছে?

(ঘ) ডক্টৰ দীনেশচন্দ্ৰ গোস্বামীয়ে কি গল্পৰে অসমীয়া কল্পবিজ্ঞান সাহিত্যত প্ৰৱেশ কৰে? তেওঁৰ প্ৰথম কল্পবিজ্ঞান গল্প সংকলনখন কি?

(ঙ) ৰূপা, মনোৰমা আৰু মণিবামে বিজুলীলৈ চাই আছিল, তেওঁলোকক কি ৰূপত দেখা গৈছিল?





৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) মনোৰমা

(খ) প্ৰাচীন অসমীয়া বিজ্ঞান সাহিত্য

(গ) অসমীয়া বিজ্ঞান সাহিত্যৰ ভাষা

(ঘ) 'বিৰচতীয়াৰ দেশ'ৰ ঠাকুৰ

(ঙ) 'আৱাজ' গল্পৰ শেষ অংশ

(চ) ডাইৰেক্টৰ ডক্টৰ ইন্দুভূষণ চক্ৰৱৰ্তী

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) 'ইলেকট্ৰনিক নামৰ ল'ৰাটো' শীৰ্ষক কল্পবিজ্ঞান উপন্যাসখনৰ মুখ্য চৰিত্ৰ দীপুৰ মাজেদি শিশু মনস্তত্ব কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(খ) "আমি সকলো ইলেক্ট্ৰন-প্ৰ'টন মা! আৰু লেপ্টন, মেচ'ন, বেৰিয়ন! নানা ধৰণৰ অৱপৰমাণৱিক বিন্দুবস্তু!" হিমেন্দ্ৰ বৰঠাকুৰৰ 'বিন্দু' নাটকৰ জৰিয়তে এই কথাটো ফঁহিয়াই দেখুওৱা।

(গ) বিজ্ঞান প্ৰকাশনৰ মুখ্য সম্পাদক হিচাপে ডক্টৰ চন্দন চৌধুৰীয়ে যোগ দিয়াত প্ৰকাশনৰ ক্ষেত্ৰত কি কি পৰিৱৰ্তন দেখা গৈছিল, আলোচনা কৰা।

(ঘ) 'আৱাজ' গল্পৰ প্ৰেছত কাম কৰা মানুহজনে কোনবোৰ সংগীত আৰু কোনবোৰ অসংগীত ভাল পাইছিল, আলোচনা কৰা।

(ঙ) বিৰচতীয়া কোন? 'বিৰচতীয়াৰ দেশ' শীৰ্ষক কল্পবিজ্ঞান গল্পৰ আলমত তেওঁৰ চৰিত্ৰৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(চ) কল্পবিজ্ঞান সাহিত্য বুলিলে কি বুজা? অসমীয়া কল্পবিজ্ঞান সাহিত্য জনপ্ৰিয় কৰাত 'বিস্ময়' আলোচনীৰ বৰঙণি সম্পৰ্কে লিখা।

(ছ) বিজ্ঞান সাহিত্য আৰু কল্পবিজ্ঞান সাহিত্যৰ এটি তুলনামূলক পৰিচয় জ্ঞাপন কৰা।

(জ) হিমেন্দ্ৰ বৰঠাকুৰৰ 'বিন্দু' নাটকৰ পটভূমিৰ এটি আভাস দিয়া।

★★★